অসম তথা পূৰ্বাঞ্চলৰ সমস্যাৱলীক তথ্যসম্বলিতভাৱে আলোচনা কৰা
মাহেকীয়া পত্ৰিকা ঃ

[illegible] বছৰ ঃ    ৩য় সংখ্যা ঃ    জুন ৮০    মূল্য ৬০ পইচা

## সাম্প্ৰদায়িকতা (সম্পাদকীয়)

অসমত চলিত আন্দোলনৰ এক গুৰুত্বপূৰ্ণ দিশ হ'ল অসমৰ থলুৱা জনগোষ্ঠী সমূহৰ মাজত সুদৃঢ় ঐক্যৰ ভেটি গঢ়ি উঠাটো। অকল অসমৰ ভিতৰতেই নহয় সমগ্ৰ উত্তৰ পূৰ্বাঞ্চললৈ হেৰোৱা ঐক্য বহুক্ষেত্ৰত ঘূৰি আহিছে। সমগ্ৰ অঞ্চলটোৰ যুৱ সমাজে ঐক্যৰ দোলেৰে অঞ্চলটোক বান্ধিবলৈ যত্ন কৰিছে। উত্তৰ পূৰ্বাঞ্চল ছাত্ৰসন্থা গঠন কৰাটো এনে এক পদক্ষেপ। ঐক্যই আমাক সবলভাৱে থিয় হ'বলৈ যে শক্তি যোগায় এই কথা প্ৰায় সকলো নতুন পুৰুষে বুজি উঠিছে যেন লাগে। উত্তৰ পূৰ্বাঞ্চল ছাত্ৰসন্থাৰ স্মৃতি-গ্ৰন্থতো সেয়েহে United we stand. Divided we fall. কথাষাৰ উল্লেখ কৰিছে।

আৰ্য, মংগোলীয় আদি বিভিন্ন ধৰণে অসমৰ থলুৱা লোকৰ মাজত বিভাজন আনিবলৈ চেষ্টা কৰিছে। কিছুক্ষেত্ৰত অশিক্ষিত জনগণক ভুলপথে পৰিচালিত কৰিবলৈ সক্ষম হৈছে। এইক্ষেত্ৰত সচেতন তথা সংগঠিত যুৱকসকলৰ দায়িত্ব অপৰিসীম। থলুৱা জন-গোষ্ঠী সমূহৰ মাজত হ'ব ধৰা বিভাজনৰ বিৰুদ্ধে থিয় দি ঐক্য সুদৃঢ় কৰাৰ দায়িত্ব যুব-সমাজৰে। আমাৰ মাজত শিপাই থকা আহোম, বামুণ, কোঁচ, কলিতা, কছাৰী, কাৰবি কেওঁট, কৈৱৰ্ত, বড়ো, ৰাভা আদি মনোভাৱৰ গোড়ামিৰ বিৰুদ্ধে সংগ্ৰাম কৰা প্ৰয়োজন। ইয়াৰ উপৰিও অস-মৰ ভাষা-সংস্কৃতি আঁকোৱালি লৈ অসমৰ মাটিত একহৈ যোৱা, অসমত শোষণ নকৰা প্ৰতিটো

# প্ৰতিবাদৰ কণ্ঠ

কিন্তু এনেবোৰ কাৰ্য দেখি শুনি এচামৰ চকুত টোপনি নোহোৱা হৈছে। ইংৰাজে Divide and rule নীতিৰে জনগণৰ মাজত যি বিভাজন আনি-ছিল— ইয়াক তথাকথিত স্বাধীন চৰকাৰে নিৰ্মূল কৰাতকৈ কিছু কিছু ক্ষেত্ৰত বেছিহে কৰিলে। ঢাক ঢোল বজাই সাম্প্ৰদায়িক বিভেদৰ বিৰুদ্ধে শ্লোগান দিলেও প্ৰতিটো নিৰ্বাচনৰ সময়ত সকলো ফুটুকাৰ ফেন হয়গৈ। সম্প্ৰদায়ৰ আঁৰ নললে নিৰ্বাচনত জিকাটো অসম্ভৱ হৈ পৰে। যিয়েই যিমান কৌশ-লৰে সম্প্ৰদায় সমূহৰ মাজত বিভাজন আনিব পাৰে, সিমানেই অধিক ভোট পায়। গতিকেই সম্প্ৰদায় সমূহৰ মাজত ঐক্য প্ৰতিষ্ঠা হোৱাটো ৰাজনৈতিক দালাল তথা সুবিধাবাদী নেতাসকলে কেতিয়াও নিবিচাৰে।

সেয়েহে এই চক্ৰসমূহে জনজাতি, অজনজাতি; জনগোষ্ঠীকে সাদৰি লোৱা প্ৰয়োজন। উদাহৰণ স্বৰূপে অসমৰ মাটিত মিলি যোৱা, গাওঁৰ কৃষক-সকলৰ দৰেই শোষিত চাহ মজদুৰসকল বৃহত্তৰ অস-মীয়া জাতিৰ এক অবিচ্ছেদ্য অংগ। এই ক্ষেত্ৰত সহজে মনত আঘাত দিব পৰা কিছুমান শব্দ ব্যৱহাৰ আমাৰ মাজৰ পৰা উঠাই দিয়া প্ৰয়োজন। উদাহৰণ স্বৰূপে 'কুলি' শব্দটো। বৃটেইনৰ বগা চাহাববিলাকে চাহখেতিত লগাই দিয়া সন্তীয়া বনুৱাসকলক 'কুলি' (coolie) বুলিছিল। এই শব্দটোৱে সমাজত নীচাতিত্মকাভাৱ জগাই তোলে। যদিও 'কোলি' (koli) নামেৰে এটা আদিম সম্প্ৰ-দায় আছে, অসমত 'কুলি' বুলি জাত এটা হ'ব নোৱাৰে। কোলি (koli) সম্প্ৰদায়ৰ লোকসকল গুজৰাট আৰু মহাৰাষ্ট্ৰত বিস্তৃত হৈ আছে। কোলি-সকল আগতে প্ৰধানকৈ কৃষিজীৱী আৰু মৎস্য-

OKDISCD

জাৰী আছিল । ইংৰাজৰ আমোলত এই সম্প্ৰদায়ৰ অধিক সংখ্যকলোকে সাধাৰণ বনুৱা হিচাপে কাম কৰিছিল । পিচলৈ ইংৰাজে সকলো সন্তীয়া বনুৱাকে 'কুলি' বুলিবলৈ লৈছিল । সাধাৰণতে চাহ - মজদুৰসকলে — এই শব্দটোৰ ব্যৱহাৰ কৰিলে মনত, আঘাত পায় । এনেধৰণৰ শব্দবোৰৰ ব্যৱহাৰ নাইকিয়া কৰিবলৈ যুৱকসকল তথা সচেতন ৰাইজে চেষ্টা কৰা প্ৰয়োজন ।

অসমত চলিত আন্দোলনক প্ৰত্যাহ্বান জনাবলৈ জন্মহোৱা 'সংখ্যালঘু ছাত্ৰসন্থা' যে আই - কংগ্ৰেছৰ আশীৰ্বাদপুষ্ট আৰু এটা অতি সাম্প্ৰদায়িক সংগঠন , সেইকথা কোনেও নুই কৰিব নোৱাৰে । ধৰ্মৰ ভিত্তিত (বিশেষকৈ হিন্দু - মুছলীম) অসমত কেতিয়াও সংঘৰ্ষ হোৱা নাই । শ শ বছৰ ধৰি সম্প্ৰীতিৰে বাস কৰা অসমীয়া মুছলীম আৰু হিন্দুৰ মাজত সহজে বিভাজন আহিব নোৱাৰে । অসমীয়া মুছলীমসকল কেতিয়াও সংখ্যালঘু হ'ব নোৱাৰে । অসমীয়া জাতিটোৱেই সংখ্যালঘুহলেহে তেওঁলোকো সংখ্যালঘু হ'ব । আমি জনাত অসমীয়া মুছলীমসকলে এই সংগঠন গঢ়ি তোলা নাই । এই সন্থা বাংলাদেশী তথা সম্প্ৰসাৰণবাদী ভাষিক সংখ্যাগুৰুসকলৰ সংখ্যাৰে পুষ্ট । "অসমলৈ যিয়েই আহে তাকেই অধিক অধিকাৰ লাগে । 'আলহীয়ে গিৰিহঁতক খেদাই নিজে গিৰিহঁত হোৱা' কথা নিশ্চয় কোনো প্ৰগতিশীল মানুহে বিশ্বাস

(১১ পৃষ্ঠাত চাওক)

# অশান্ত মিজোৰাম

( দিব্যজ্যোতি বৰদলৈয়ে মিজোৰামৰ ইতিহাস সমাজ, অৰ্থনীতি, ৰাজনীতি আৰু মিজো বিদ্ৰোহীৰ কাম-কাজৰ ওপৰত এই সুদীৰ্ঘ প্ৰবন্ধটি আগবঢ়াইছে । বিদ্ৰোহী চৰকাৰৰ পদবীসমূহো ইয়াত উল্লেখিত কৰা হৈছে । প্ৰবন্ধটি ধাৰাবাহিক ভাৱে প্ৰকাশ কৰা হ'ব । ) —স-প্ৰ-ক

(১)

মিজোৰাম । অসমৰ নিচেই কাষতে দক্ষিণফালে জিভাৰ আকৃতিৰ, সৰু সৰু উপত্যকাৰে বিচ্ছিন্ন সৰু বৰ পাহাৰেৰে ভৰা, গোটেই বছৰটোৱেই মনোৰম বায়ু বলি থকা অঞ্চলটোৱেই মিজোৰাম ।

মিজোৰামক সকলোৱে বিদ্ৰোহী মানুহৰ ঠাই বুলিয়েই জানে । প্ৰায়েই বাতৰি কাকতসমূহত বিদ্ৰোহী মিজোৰ লগত ভাৰতীয় সামৰিক বাহিনীৰ সংঘৰ্ষৰ কথা পঢ়িবলৈ পোৱা যায় ! এই সংঘৰ্ষ কি বাবে ??

১৯৬৬ চনৰ পৰাই অঞ্চলটোত বিদ্ৰোহৰ জুই জ্বলিছে । বহু মিজো যুৱকে, পুৰুষে মৃত্যুক সাৱটি ল'ব লগা হৈছে । মিজো অধিবাসীৰ গাওঁবিলাক ভাৰতীয় সামৰিক বাহিনীৰ নিৰ্যাতন চলিছে । বহুবাৰ গাওঁৰ কুমাৰী বোৱাৰীয়ে সতীত্ব হেৰুৱাব লগা হৈছে ।

ইয়াৰ কাৰণ কি ?

ইয়াৰ কাৰণ বিচাৰিবলৈ যোৱাৰ আগতে আমি মিজোসকল আৰু মিজোৰামৰ বিষয়ে আলোচনা কৰাৰ প্ৰয়োজন ।

টাই জনগোষ্ঠীৰ আহোমসকলে অসমত ৰাজ্যপ্ৰতিষ্ঠা কৰাৰ পিচৰ পৰা অসম বুৰঞ্জীৰ জন্ম হয় । আহোমসকলৰ লগত কাষৰীয়া পাহাৰী জাতিবিলাকৰ যুদ্ধ বিগ্ৰহ আৰু লগতে বৈবাহিক সম্বন্ধকে ধৰি বিভিন্ন সম্বন্ধ ঘটিছিল আৰু ফলস্বৰূপে বুৰঞ্জীসমূহৰ পৰা কিছুপৰিমাণে নগা, মনপা বা অন্যান্য জাতিসমূহৰ বিষয়ে জানিব পৰা যায় ! বিশেষকৈ আহোম সকলে জনজাতিসকলৰ লগত ভাল বুজা-পৰা বা সম্প্ৰীতি স্থাপনৰ চেষ্টা কৰাৰ আভাস পোৱা যায় ! কিন্তু এই বুৰঞ্জীত মিজোসকলৰ বিষয়ে কোনো উল্লেখ নাই । মিজোসকলৰ নিজস্ব বুৰঞ্জী লিখাৰ অভ্যাস নথকাত মিজোসকলৰ অতীত অন্ধকাৰৰ মাজত লীন গ'ল । ১৮২৬ চনত অসমৰাজ্য ইয়াণ্ডাবু সন্ধিৰ যোগেদি ইংৰাজৰ ভাৰত সম্ৰাজ্যৰ অধীনলৈ নিয়াৰ পিচত কাষৰীয়া জনজাতিসকলৰ লগত সংঘৰ্ষৰ সূত্ৰপাত হৈছিল আৰু সেইসময়ৰ পৰাইহে মিজোসকলৰ বিষয়ে ভালদৰে জনা যায় । (আগলৈ)



OKDISCD

প্ৰতিবাদৰ কণ্ঠ'লৈ শুভেচ্ছাৰে

আৰ্মছ ইণ্ডিয়া কোং

জে, বি, ৰোড ; যোৰহাট

শুভেচ্ছাৰে

"আৰ্ট লেণ্ড"

তৰাজান, যোৰহাট

প্ৰতিবাদৰ কণ্ঠলৈ শুভেচ্ছাৰে

"ষ্টাৰ ৰেষ্টুৰেণ্ট"

চাহ মিঠাইৰ অন্যতম আকৰ্ষণ

তৰাজান যোৰহাট—১

নতুন পুৰুষৰ সাহিত্য প্ৰতিভাৰে সমৃদ্ধ

ৰঙা সূৰ্য্য ! ৰঙা সূৰ্য্য !! ৰঙা সূৰ্য্য !!!

পঢ়ক আৰু পঢ়ুৱাওক

আহক !

'শ্ৰীগোপাল মিষ্টান্ন ভাণ্ডাৰ'লৈ

ইয়াত সকলোধৰণৰ উৎকৃষ্ট মিঠাই পোৱা যায়।

এ, টি, ৰ'ড, যোৰহাট

এটি ঘোষণা : উত্তৰ পূৰ্বাঞ্চলৰ জন গোষ্ঠী সমূহৰ আলোচনাৰে প্ৰতিবাদৰ কণ্ঠৰ এটি বিশেষ সংখ্যা উলিওৱা হ'ব। অহা ১৫ জুলাই ভিতৰত পোৱাকৈ জনগোষ্ঠীসমূহৰ ওপৰত লিখা প্ৰবন্ধ পাতি পঠাবলৈ লিখক লিখিকা-সকলক অনুৰোধ কৰা হল।

মজদুৰ সংঘ আদি সৰ্ব্বভাৰতীয় শ্ৰমিক সংগঠনৰ লগত লিপ্ত শ্ৰমিক অনুষ্ঠানবোৰে সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ সংগ্ৰাম পৰিষদে আহ্বান জনালে সৰ্ব্বভাৰতীয় যোগাযোগ ছিন্ন কৰিবলৈকো আৰু অসম ভিত্তিত এক সংগঠন হৈ পৰিবলৈকো বোধহয় পিচ নুহুঁহকিব ।

সম্পাদকীয়— (২পৃষ্ঠাৰ পিছৰ পৰা)

নকৰে। কিন্তু চৰকাৰ-যন্ত্ৰই ইয়াৰেই পৃষ্ঠপোষকতা কৰিছে আৰু তথাকথিত মাৰ্ক্সবাদী চি পি এমে ইয়াৰ নেতৃত্বত ধৰি সমাজবাদৰ বৈতৰণী পাৰ হ'ব বিচাৰিছে। ইয়াৰ পৰিণতি কিমান ভয়াবহ হ'ব— সকলোৰে অনুধাৱন কৰা প্ৰয়োজন ।

সাম্প্ৰদায়িকতা ৰাজনৈতিক সুবিধাবাদীৰ লাভত আহে। ই জনগণৰ অকণো উন্নতি সাধন নকৰে। ইয়াৰ বিৰুদ্ধে জনসাধাৰণে কাম কৰা প্ৰয়োজন। অৱশ্যে এই ক্ষেত্ৰত স্পষ্ট হোৱা প্ৰয়োজন যে বৃহৎ জাতিসমূহৰ গ্ৰাসৰ পৰা নিজ স্বকীয়তা ৰক্ষা কৰিবলৈ ক্ষুদ্ৰজাতিসমূহে যুঁজিবই । বৃহৎজাতিৰ সম্প্ৰসাৰণবাদী ভূমিকাৰ বিৰুদ্ধে ক্ষুদ্ৰজাতি সমূহৰ যুঁজ কেতিয়াও সাম্প্ৰদায়িক হ'ব নোৱাৰে ।

অসমত ক্ষুদ্ৰ উদ্যোগ গ'ঢ় উঠা সম্ভৱ - ইয়াৰ দ্বাৰা স্বাবলম্বী ও সংস্থান পোৱাটোও সম্ভৱ। তাৰ কাৰণে লাগে অসমীয়াৰ স্নেহ আৰু সহযোগিতা। ইতি

আলম চেৰুই উদ্যোগ

আমাৰ উৎকৃষ্ট উৎপাদন :—চেৰুই, চাওঁ-চাওঁ, এগ-নভেলচ্, ফেষ্টিভেল টেষ্ট ইত্যাদি।

উদ্যোগ থলী : বাঙলী পথাৰ

ডাকঘৰ :—কলিয়াপানী

বিক্ৰীকেন্দ্ৰ ও কাৰ্য্যালয় :—

নাহৰকটীয়া মৰাণ ৰ'ড (৭৮৬৬১০)

✳ অসমীয়া ভাষাজ্ঞান নথকা লোকক নিয়োগ ক্ষেত্ৰত সুবিধা দিয়া বন্ধ কৰক। জন-জাতি প্ৰধান অঞ্চলত অসমীয়াৰ উপৰিও জনজাতি ভাষাজ্ঞান থকা লোকককহে সুবিধা দিয়ক ॥